*Total number of printed pages–7*

**63/1 (Sem–1) AECC1/ASMAE1012**

**2024**

# ASSAMESE

Paper : ASMAE1012

***[Functional Assamese (Communication)]***

*Full Marks : 50*

*Pass Marks : 20*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাচি উলিওৱা ঃ *(যিকোনো পাঁচটা)* 1×5=5

(ক) *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* পুথিখন কাৰ ৰচনা?

*(i)* গোলোক চন্দ্ৰ গোস্বামী

*(ii)* উপেন্দ্ৰ নাথ গোস্বামী

*(iii)* কালিৰাম মেধি

*(iv)* বাণীকান্ত কাকতি

*Contd.*

(খ) অসমীয়া ভাষাত তই / তুমি কোন পুৰুষৰ ৰূপ?

*(i)* প্ৰথম পুৰুষ

*(ii)* দ্বিতীয় পুৰুষ

*(iii)* তৃতীয় পুৰুষ

*(iv)* এটাও নহয়

(গ) অসমীয়া ভাষাৰ 'ক' কোনটো শব্দ বিভক্তিৰ চিন?

*(i)* প্ৰথমা বিভক্তি

*(ii)* দ্বিতীয়া বিভক্তি

*(iii)* তৃতীয়া বিভক্তি

*(iv)* পঞ্চমী বিভক্তি

(ঘ) সংস্কৃতৰ শ, ষ, স – এই ধ্বনি অসমীয়াত উচ্চাৰণৰ স্থান কি?

*(i)* দন্ত্য

*(ii)* মূৰ্ধন্য

*(iii)* দন্ত্যমূলীয়

*(iv)* তালব্য



(ঙ) অসমীয়া ভাষাত অনিয়মিত ক্ৰিয়া কেইটা ?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(চ) তলৰ কোনটো অসমীয়া স্ত্ৰীলিংগবাচক ৰূপ নহয়?

*(i)* বাজী

*(ii)* ধাত্ৰী

*(iii)* মদাহী

*(iv)* শিপিনী

(ছ) তলৰ কোনটো অসমীয়া বহুবচনৰ ৰূপ সংস্কৃত মূলৰ নহয় ?

*(i)* গণ

*(ii)* বৃন্দ

*(iii)* সকল

*(iv)* বোৰ

(জ) তলৰ কোনটো অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ৰূপ নহয়?

*(i)* মান

*(ii)* চেৰেক

*(iii)* দিয়েক

*(iv)* বিলাক

(ঝ) ধাতু মুলতঃ অসমীয়া ভাষাত কেইটা ?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* এটাও নহয়

(ঞ) অসমীয়া ভাষাত শব্দ বিভক্তি কেইপ্ৰকাৰৰ ?

*(i)* পাঁচ

*(ii)* ছয়

*(iii)* সাত

*(iv)* আঠ



২। তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* 2×5=10

(ক) অঘোষ আৰু সঘোষ ধ্বনি কাক বোলে? উদাহৰণ দিয়া।

(খ) সমাপিকা ক্ৰিয়া আৰু অসমাপিকা ক্ৰিয়া কাক বোলে? উদাহৰণ দিয়া।

(গ) লিংগ কাক বোলে? ই কেইপ্ৰকাৰ আৰু কি কি?

(ঘ) অসমীয়াত পদ কাক বোলে? ই কেইপ্ৰকাৰ আৰু কি কি?

(ঙ) অব্যয় পদ কাক বোলে? উদাহৰণ দিয়া।

(চ) অসমীয়া ভাষাৰ 'হ' ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ কি, লিখা?

(ছ) অসমীয়া স্বৰ 'আ' উচ্চাৰণৰ স্থান (জিভা) আৰু মুখৰ অৱস্থান কেনে ধৰণৰ?

৩। তলত দিয়া *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ 5×5=25

(ক) বিশিষ্ট স্বৰধ্বনি কাক বোলে? অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ এখনি তালিকা প্ৰস্তুত কৰা।

(খ) কাৰক কাক বোলে? ই কেইপ্ৰকাৰ আৰু কি কি? উদাহৰণেৰে সৈতে বুজাই লিখা।

(গ) বক্তৃতা এটি তৈয়াৰ কৰিবলৈ কি কি গুণৰ ওপৰত গুৰুত্ব দিব লাগে, লিখা।

(ঘ) আৰ্হি পাঠ চোৱা ব্যক্তিজনৰ কি কি জ্ঞানৰ প্ৰয়োজন হয় —চমুকৈ লিখা।

(ঙ) যতি বা বিৰাম চিহ্ন কি? ইয়াৰ প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখা।

(চ) বাতৰি এটা প্ৰস্তুত কৰিবলৈ কি কি কথাৰ ওপৰত গুৰুত্ব দিব লাগে—চমুকৈ লিখা।

(ছ) পুৰুষবাচক নিৰ্দিষ্ট প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখা।

(জ) শব্দ বিভক্তি কি? ই কেই প্ৰকাৰ আৰু কি কি? উদাহৰণেৰে সৈতে শব্দবিভক্তিৰ এখনি তালিকা প্ৰস্তুত কৰা।

(ঝ) অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ এখনি তালিকা প্ৰস্তুত কৰা।

৪। তলৰ *যিকোনো এটি* প্ৰশ্নৰ উত্তৰ লিখা ঃ $10\times1=10$

(ক) তোমাৰ অঞ্চলত বিশুদ্ধ খোৱা পানীৰ অভাৱ হৈছে। গতিকে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিবৰ কাৰণে জিলা উপযুক্ত বিষয়ালৈ এখনি আবেদন প্ৰস্তুত কৰা।



(খ) তোমাৰ ওচৰ-পাজৰৰ গাওঁবোৰত মাদক দ্ৰব্য সেৱনৰ প্ৰকোপ বাঢ়িছে। সেয়েহে, ইয়াৰ বিৰুদ্ধে সজাগতা সভা পতাৰ বাবে জিলা স্বাস্থ্য বিষয়ালৈ এখনি আবেদন লিখা।

(গ) তোমাৰ মহাবিদ্যালয়ত 'ছাত্ৰ-দিৱস' উপলক্ষে এখনি বক্তৃতা প্ৰস্তুত কৰা।